
Ministry of
Health and Family Welfare
Goverment of India

मेरी सरकार



# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত

# সঘনাই সোধা প্ৰশ্নাৱলী





## প্ৰশ্ন: ক’ভিড-১৯ৰ প্ৰতিষেধক একেসময়তে সকলোকে দিয়াৰ ব্যৱস্থা কৰা হ’ব নে বাৰু?

উত্তৰ: প্ৰতিষেধকৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি ভাৰত চৰকাৰে বিপদৰ আশংকা অধিক থকাসকলক অগ্ৰাধিকাৰ দি টীকাকৰণৰ পদক্ষেপ গ্ৰহণ কৰিব৷

- এই তালিকাত স্বাস্থ্যসেৱা আৰু আগশাৰীত থাকি সেৱা আগবঢ়াই থকা কৰ্মচাৰীসকলে প্ৰতিষেধক লোৱাৰ প্ৰথম সুযোগ লাভ কৰিব৷
- দ্বিতীয়তে সুযোগ লাভ কৰিব ৫০ বছৰৰ ওপৰৰ ব্যক্তিসকলৰ লগতে বহু ৰোগৰে আক্ৰান্ত ৫০বছৰৰ তলৰ ব্যক্তিসকলে৷
- তাৰ পিছত প্ৰয়োজন অনুসৰি সকলোৰে বাবে প্ৰতিষেধক উপলব্ধ হ'ব৷

Ministry of
Health and Family Welfare
Goverment of India

my GOV
मेरी सरकार




# কʼভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত সঘনাই সোধা প্ৰশ্নাৱলী

## প্ৰশ্ন: প্ৰতিষেধক লোৱাটো বাধ্যতামূলক নেকি?

**উত্তৰ:** কʼভিড-১৯ৰ প্ৰতিষেধক লোৱাটো স্বেচ্ছামূলক৷ পিচে, ৰোগবিধৰ পৰা নিজকে সুৰক্ষিত কৰাৰ লগতে পৰিয়ালৰ সদস্যসকল, বন্ধু-বান্ধৱ, আত্মীয়-স্বজন আৰু সতীৰ্থ কৰ্মচাৰী আদিৰ গালৈ ইয়াৰ সংক্ৰমণৰ সম্ভাৱনা নোহোৱা কৰাৰ স্বাৰ্থতে প্ৰতিষেধক লোৱাটো সুনিশ্চিত কৰাৰ বাবে পৰামৰ্শ আগবঢ়োৱা হৈছে৷

## প্ৰশ্ন: অতি কম সময়তে পৰীক্ষা কৰি ততাতৈয়াকৈ ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়া প্ৰতিষেধকবিধ বাৰু নিৰাপদ হʼবনে?

**উত্তৰ:** নিৰাপদতা আৰু পাৰদৰ্শিতা পৰীক্ষা কৰি নিয়ন্ত্ৰক সংস্থাসমূহে জনোৱা অনুমোদনৰ ভিত্তিতহে দেশৰ জন-সাধাৰণক প্ৰদানৰ বাবে প্ৰতিষেধকসমূহ মোকলাই দিয়া হʼব৷

सत्यमेव जयते

Ministry of
Health and Family Welfare
Goverment of India

myGOV
मेरी सरकार

# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত

# সঘনাই সোধা প্ৰশ্নাৱলী




## প্ৰশ্ন: ক'ভিড-১৯ৰ পৰা আৰোগ্য লাভ কৰা ব্যক্তিসকলে প্ৰতিষেধক লোৱাৰ প্ৰয়োজনীয়তা থাকিবনে?

উত্তৰ: হয়, ক'ভিড-১৯ৰ সংক্ৰমণৰ ইতিহাস যিয়েই নহওক কিয়, সকলোৱে ক'ভিড-প্ৰতিষেধকৰ সমুদায় সূচী গ্ৰহণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়োৱা হৈছে৷ ৰোগবিধৰ বিৰুদ্ধে এক শক্তিশালী প্ৰতিৰোধী ক্ষমতা বিকশিত কৰাত ই সহায়ক হ'ব৷

## প্ৰশ্ন: ক'ভিড-১৯ৰ সংক্ৰমণ (নিশ্চিত হোৱা অথবা সন্দেহ কৰা)ৰে আক্ৰান্ত ব্যক্তিয়ে বাৰু প্ৰতিষেধক ল'ব পাৰিবনে?

উত্তৰ: ক'ভিড-১৯ৰে আক্ৰান্ত হোৱা বা সংক্ৰমণৰ সন্দেহ কৰা ব্যক্তিয়ে প্ৰতিষেধক গ্ৰহণস্থলীত আন ব্যক্তিলৈ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি কৰাৰ আশংকা থাকে৷ এনে পৰিপ্ৰেক্ষিততে এনে ব্যক্তিয়ে ক'ভিড-১৯ৰ লক্ষণসমূহ আঁতৰাৰ পিছত অন্ততঃ ১৪ দিন প্ৰতিষেধক গ্ৰহণৰ পৰা বিৰত থকা উচিত৷


Ministry of
Health and Family Welfare
Goverment of India

सत्यमेव जयते

my GOV मेरी सरकार

# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত

# সঘনাই সোধা প্ৰশ্নাৱলী





**প্ৰশ্ন:** বহুকেইবিধ প্ৰতিষেধকৰ পৰা, কেনেকৈ এবিধ বা একাধিক প্ৰতিষেধক বাচনি কৰা হ'ব?

উত্তৰ: প্ৰতিষেধকসমূহৰ সুৰক্ষা তথা পাৰদৰ্শিতা সন্দৰ্ভত সম্পন্ন কৰা পৰীক্ষাৰ সমুদায় তথ্য আমাৰ দেশৰ ঔষধ নিয়ামক সংস্থাসমূহে তন্ন-তন্নকৈ পৰীক্ষা কৰিহে ইয়াৰ প্ৰচলনৰ বাবে অনুজ্ঞা প্ৰদান কৰিব। সেয়ে, অনুজ্ঞা লাভ কৰা ক'ভিড-১৯ৰ সকলোবোৰ প্ৰতিষেধকৰে সুৰক্ষা আৰু পাৰদৰ্শিতা তুলনা কৰিব পৰা যাব।

অৱশ্যে, একেবিধ প্ৰতিষেধকৰেই প্ৰতিষেধক গ্ৰহণৰ সূচী সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিব লাগিব, কিয়নো, ক'ভিড-১৯ৰ প্ৰতিষেধকসমূহ আন্তঃপৰিৱৰ্তনীয় নহয়।

Ministry of
Health and Family Welfare
Goverment of India

myGOV
मेरी सरकार




# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত
# সঘনাই সোধা প্ৰশ্নাৱলী

**প্ৰশ্ন:** ক'ভিড-১৯ৰ প্ৰতিষেধক +২ৰ পৰা +৮ ডিগ্ৰী চেলচিয়াছ উষ্ণতাত সংৰক্ষিত কৰা আৰু প্ৰয়োজনীয় উষ্ণতাৰে পৰিবহণ কৰাৰ সামৰ্থ্য ভাৰতৰ আছেনে?

উত্তৰ: ২৬ নিযুত নৱজাতক আৰু ২৯ নিযুত গৰ্ভৱতী মহিলাৰ প্ৰতিষেধক প্ৰদানৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ ভাৰতে পৃথিৱীৰ ভিতৰতে সৰ্ববৃহত টীকাকৰণ অভিযান চলাই আহিছে৷ দেশৰ বিশাল আৰু বৈচিত্ৰ্যপূৰ্ণ জন-সমুদায়ৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ কাৰ্যক্ৰম পৰিচালনা ব্যৱস্থাৱলীক অধিক শক্তিশালী কৰি সাজু কৰি তোলা হৈছে৷

Ministry of
Health and Family Welfare
Goverment of India

myGOV
मेरी सरकार




# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত সঘনাই সোধা প্ৰশ্নাৱলী

**প্ৰশ্ন: ভাৰতত মুকলি কৰা প্ৰতিষেধক বাৰু আন দেশসমূহত মুকলি কৰা প্ৰতিষেধকৰ সমানেই প্ৰভাৱশালীনে?**


**উত্তৰ:** নিশ্চয়৷ ভাৰতত মুকলি কৰা প্ৰতিষেধক নিশ্চিত ভাবেই আন দেশসমূহত বিকশিত কৰা প্ৰতিষেধকৰ সমানেই প্ৰভাৱশালী হ'ব৷ ইয়াৰ সুৰক্ষা আৰু পাৰদৰ্শিতা নিৰ্ণয় কৰাৰ বাবে বিভিন্ন পৰ্যায়ত পৰীক্ষা সম্পন্ন কৰাৰ দিহা কৰা হয়৷

**প্ৰশ্ন: প্ৰতিষেধক লোৱাৰ বাবে ময়ো যে যোগ্য সেই কথা মই কেনেকৈ জানিম?**

**উত্তৰ:** প্ৰতিষেধক প্ৰদান কৰাৰ বাবে নিৰ্দ্ধাৰণ কৰা থলীসমূহৰ পৰা পঞ্জীয়ণকৃত মোবাইল নম্বৰত ফোন কৰি যোগ্যতাসম্পন্ন হিতাধিকাৰীসকলক নিৰ্দ্ধাৰণ কৰা সময়কে ধৰি যাৱতীয় তথ্য অৱগত কৰা হ'ব৷

Ministry of
Health and Family Welfare
Goverment of India

my GOV
मेरी सरकार




# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত
# সঘনাই সোধা প্ৰশ্নাৱলী


**প্ৰশ্ন:** যোগ্যতাসম্পন্ন হিতাধিকাৰীয়ে পঞ্জীয়ণ কৰাৰ বাবে কি নথি দাখিল কৰাৰ প্ৰয়োজন হ'ব?

**উত্তৰ:** পঞ্জীয়নৰ সময়ত নিম্নোল্লিখিত যিকোনো এবিধ নথিৰ সৈতে ফটো দাখিল কৰিব লাগিব:

- আধাৰ/গাড়ী চালনাৰ অনুজ্ঞা পত্ৰ/ভোটাৰ পৰিচয় পত্ৰ/পেন কাৰ্ড/পাৰপত্ৰ/জবকাৰ্ড/পেঞ্চন নথি
- শ্ৰম মন্ত্ৰালয়ে প্ৰদান কৰা স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আইন (এমএনৰেগা)
- সাংসদ/বিধায়ক/বিধান পৰিষদীয় সদস্যৰ আনুষ্ঠানিক পৰিচয় পত্ৰ
- বেংক/ডাকঘৰৰ পাছ বুক
- কেন্দ্ৰীয়/ৰাজ্য চৰকাৰ/ৰাজহুৱা প্ৰতিষ্ঠান আদিয়ে প্ৰদান কৰা পৰিচয় পত্ৰ

Ministry of
Health and Family Welfare
Goverment of India

my GOV
मेरी सरकार




# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত সঘনাই সোধা প্ৰশ্নাৱলী

**প্ৰশ্ন: স্বাস্থ্য বিভাগত পঞ্জীয়ণ নকৰাকৈ বাৰু কোনো ব্যক্তিয়ে ক'ভিড-১৯ৰ প্ৰতিষেধক ল'ব পাৰিবনে?**

**উত্তৰ:** নাই নোৱাৰে, ক'ভিড-১৯ৰ প্ৰতিষেধক লোৱাৰ বাবে হিতাধিকাৰীৰ পঞ্জীয়ন বাধ্যতামূলক। পঞ্জীয়নৰ পাচতহে সংশ্লিষ্ট হিতাধিকাৰীক প্ৰতিষেধক প্ৰদানৰ বাবে নিৰ্দ্ধাৰিত স্থান আৰু সময় আদিৰ তথ্য অৱগত কৰা হ'ব।

**প্ৰশ্ন: প্ৰতিষেধক প্ৰদানস্থলীত যদি কোনোবাই ফটো/পৰিচয় পত্ৰ দেখুৱাব নোৱাৰে তেন্তে তেওঁক বাৰু প্ৰতিষেধক দিয়া হ'বনে?**

**উত্তৰ:** প্ৰতিষেধক ল'ব বিচৰা হিতাধিকাৰীৰ পঞ্জীয়ন আৰু পৰীক্ষণ উভয়ৰে বাবে ফটো/পৰিচয় পত্ৰ প্ৰদৰ্শন কৰাটো নিতান্তই জৰুৰী হ'ব।

Ministry of
Health and Family Welfare
Goverment of India

myGOV
मेरी सरकार




# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত সঘনাই সোধা প্ৰশ্নাৱলী

**প্ৰশ্ন: প্ৰতিষেধক দিয়াৰ বাবে স্থিৰ কৰা দিনৰ বিষয়ে হিতাধিকাৰীয়ে কেনেকৈ জানিব?**

**উত্তৰ:** অনলাইনৰে পঞ্জীয়ণ কৰা হিতাধিকাৰীয়ে তেওঁলোকৰ পঞ্জীয়ণকৃত মোবাইল ফোনলৈ অহা ‘এছএমএছ’-ৰ জৰিয়তে প্ৰতিষেধক প্ৰদান কৰিবলগীয়া দিন, সময় আদিৰ তথ্য লাভ কৰিব।

**প্ৰশ্ন: প্ৰতিষেধক প্ৰদানস্থলীত যদি কোনোবাই ফটো/পৰিচয় পত্ৰ দেখুৱাব নোৱাৰে তেন্তে তেওঁক বাৰু প্ৰতিষেধক দিয়া হ’বনে?**

**উত্তৰ:** প্ৰতিষেধক ল’ব বিচৰা হিতাধিকাৰীৰ পঞ্জীয়ন আৰু পৰীক্ষণ উভয়ৰে বাবে ফটো/পৰিচয় পত্ৰ প্ৰদৰ্শন কৰাটো নিতান্তই জৰুৰী হ’ব।

Ministry of
Health and Family Welfare
Goverment of India

myGOV
मेरी सरकार




# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত
# সঘনাই সোধা প্ৰশ্নাৱলী

**প্ৰশ্ন:** প্ৰতিষেধক প্ৰদানস্থলীত কিবা নিবাৰণ তথা সাৱধানতা অৱলম্বনৰ প্ৰয়োজন থাকিব নেকি?

উত্তৰ:


- ক'ভিড-১৯ৰ প্ৰতিষেধক লোৱাৰ পিচত অন্ততঃ আধা ঘন্টা সময় জিৰণি ল'বলৈ আমি আপোনাক অনুৰোধ কৰিম।
- পৰৱৰ্তি সময়ত অসুস্থতা অথবা অস্বস্তি অনুভৱ কৰিলে সমীপৱৰ্তী স্বাস্থ্য কৰ্তৃপক্ষ/এএনএম/আশা কৰ্মীৰে যোগাযোগ কৰিব।
- মাস্ক পৰিধান কৰা, চাবোনৰে হাত ধোৱা, সামাজিক ব্যৱধান অক্ষুন্ন ৰখা(দুগজ অথবা ৬ ফুট)ৰ দৰে 'ক'ভিড-উপযুক্ত আচৰণ' অব্যাহত ৰখাৰ কথা মনত ৰাখিব।

Ministry of
Health and Family Welfare
Goverment of India

myGOV
मेरी सरकार



# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত
# সঘনাই সোধা প্ৰশ্নাৱলী




**প্ৰশ্ন:** ক'ভিড-১৯ৰ প্ৰতিষেধকৰ সাম্ভাৱ্য পাৰ্শ্বক্ৰিয়াৰ বিষয়ে ক'ব নেকি?

**উত্তৰ:**

- নিৰাপত্তা নিশ্চিত হ'লেহে ক'ভিড-ৰ প্ৰতিষেধক দিয়াৰ বাবে অনুমতি প্ৰদান কৰা হ'ব।
- অন্য প্ৰতিষেধকৰ ক্ষেত্ৰত হোৱাৰ দৰেই কিছু সংখ্য লোকৰ সাধাৰণ জ্বৰ, বিষ আদি হোৱাৰ সম্ভাৱনা থাকিবও পাৰে।
- জনতাৰ মাজত নিৰাপদ প্ৰতিষেধক প্ৰদান কৰাতো সুনিশ্চিত কৰিবলৈকে ক'ভিড-১৯ৰ প্ৰতিষেধকৰ দূৰপ্ৰভাৱ চম্ভালিব পৰাকৈ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰসমূহক আহ্বান জনোৱা হৈছে।

Ministry of
Health and Family Welfare
Goverment of India

myGOV
मेरी सरकार

# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত সঘনাই সোধা প্ৰশ্নাৱলী




**প্ৰশ্ন:** কেন্সাৰ, মধুমেহ, উচ্চ ৰক্তচাপ আদিৰ দৰে ৰোগৰ ঔষধ গ্ৰহণ কৰি থকা ব্যক্তিসকলে বাৰু ক'ভিডৰ প্ৰতিষেধক ল'ব পাৰিবনে?


**উত্তৰ:** নিশ্চয় পাৰিব। এনে এবিধ বা ততোধিক ৰোগৰে আক্ৰান্ত ব্যক্তিসকলক অধিক বিপদৰ আশংকা থকা শ্ৰেণীৰ ব্যক্তি বুলি চিনাক্ত কৰা হয়। তেওঁলোকে ক'ভিড-১৯ৰ প্ৰতিষেধক লোৱাৰ নিতান্তই প্ৰয়োজন হ'ব।

**প্ৰশ্ন:** স্বাস্থ্য কৰ্মী/আগশাৰীৰ কৰ্মীৰ পৰিয়ালৰ আন সদস্যসকলকো প্ৰতিষেধক দিয়া হ'বনে?

**উত্তৰ:** প্ৰথমিক পৰ্যায়ত প্ৰতিষেধকৰ পৰিমাণ সীমিত হ'ব বাবে বিপদৰ আশংকা অধিক থকা ব্যক্তিসকলকহে ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব। পৰৱৰ্তি সময়ত এই প্ৰতিষেধক

Ministry of
Health and Family Welfare
Goverment of India

my GOV
मेरी सरकार




# ক'ভিড-১৯ প্ৰতিষেধক সংক্ৰান্তত সঘনাই সোধা প্ৰশ্নাৱলী

**প্ৰশ্ন:** কিমান পালি প্ৰতিষেধক, কিমান দিনৰ মূৰে মূৰে লোৱাৰ প্ৰয়োজন হ'ব বাৰু?

উত্তৰ: সূচী সম্পূৰ্ণ কৰাৰ বাবে ২৮ দিনৰ ভিতৰত দুপালি প্ৰতিষেধক লোৱাৰ প্ৰয়োজন হ'ব।

**প্ৰশ্ন:** এন্টী বডী কেতিয়া বিকশিত হ'ব? প্ৰথম পালি প্ৰতিষেধক লোৱাৰ পিছতনে, দ্বিতীয় পালি লোৱাৰ পিছত, নে তাৰো পিছত?

উত্তৰ: ক'ভিড-১৯ প্ৰতিষেধকৰ দ্বিতীয় পালি লোৱাৰ দুসপ্তাহৰ পিছত সাধাৰণতে এন্টী বডীৰ সুৰক্ষা সামৰ্থ্য বিকশিত হয়।